**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লক্ষ্ণৌত ৰাষ্ট্ৰ প্ৰেৰণাস্থল উদ্বোধন কৰিব।

২। সমগ্ৰ বিশ্বতে আজি উলহ-মালহেৰে পবিত্ৰ বৰদিন উদযাপন কৰা হৈছে।

৩। দিল্লীৰ এখন আদালতে লালকিল্লা বিস্ফোৰণৰ ঘটনাত জড়িত ৭ জন লোকৰ ন্যায়িক জিম্মাৰ ম্যাদ আৰু ১৫ দিনলৈ বৃদ্ধি কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰ পৰা পৰৱৰ্তী ২-৩ দিনলৈ উত্তৰ ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে অতি ঘন কুঁৱলীৰ সতৰ্কবাণী দিছে। *আৰু*

৫। ভাৰতীয় পুৰুষ হকী দলৰ উপ-অধিনায়ক হাৰ্ডিক সিঙক চলিত বৰ্ষৰ সন্মানীয় মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটাৰ বাবে মনোনীত কৰা হৈছে।

ooooo

আজি দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জয়ন্তী। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লক্ষ্ণৌত ৰাষ্ট্ৰ প্ৰেৰণাস্থল উদ্বোধন কৰিব আৰু এখন জনসভাক সম্বোধন কৰিব। নিজৰ নেতৃত্বৰ জৰিয়তে দেশৰ গণতান্ত্ৰিক, ৰাজনৈতিক আৰু বিকাশৰ যাত্ৰাত গভীৰ প্ৰভাৱ বিস্তাৰ কৰা ভাৰতৰ অন্যতম শ্ৰদ্ধা নেতাগৰাকীৰ জীৱন আৰু আদৰ্শৰ প্ৰতি শ্ৰীমোদীৰ দৃষ্টিভংগীৰে নিৰ্মিত ৰাষ্ট্ৰ প্ৰেৰণাস্থলে সন্মান প্ৰদৰ্শন কৰিব। ৬৫ একৰ ভূমিত প্ৰায় ২৩০ কোটি টকা ব্যয়ৰে এই প্ৰেৰণাস্থল নিৰ্মাণ কৰি উলিওৱা হৈছে। ইয়াত প্ৰয়াত বাজপেয়ীৰ লগতে ড০ শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৬৫ ফুট উচ্চতাৰ একোটাকৈ ব্ৰঞ্জৰ মূৰ্তি থাকিব। এই মূৰ্তিকেইটাৰ জৰিয়তে ভাৰতৰ ৰাজনৈতিক চিন্তা, ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসাধাৰণৰ জীৱনলৈ তেওঁলোকে আগবঢ়োৱা অনবদ্য অৱদানসমূহক সোঁৱৰণ কৰা হ'ব। ৰাষ্ট্ৰ প্ৰেৰণাস্থলৰ ভিতৰত ৯৮ হাজাৰ বৰ্গফুট এলেকা সামৰি পদুম ফুলৰ আৰ্হিত এটা অত্যাধুনিক সংগ্ৰহালয়ো নিৰ্মাণ কৰি উলিওৱা হৈছে।

ooooo

দেশৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকয়া নাইডুক নতুন দিল্লীৰ অটল স্মৃতি ন্যাস সমিতিৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হৈছে। প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ চৰকাৰী বাসগৃহত অনুষ্ঠিত এখন বৈঠকত কালি ন্যাসৰ প্ৰতিষ্ঠাপক সদস্য ৰাম বাহাদুৰ ৰায়ে অন্য সদস্যসকলৰ সৈতে আলোচনা কৰি সভাপতি পদৰ বাবে শ্ৰীনাইডুৰ নাম প্ৰস্তাৱ কৰে। শেহতীয়াকৈ দেহাৱসান ঘটা বিজয় কুমাৰ মালহোত্ৰাৰ ঠাইত শ্ৰীনাইডুক ন্যাসৰ সভাপতিৰ দায়িত্বভাৰ অৰ্পণ কৰা হয়। সভাপতি হিচাপে ন্যাসৰ পৰিচালনা সমিতিৰ সদস্যসকলক অন্তৰ্ভুক্ত কৰাৰ উপৰি কাৰ্যকৰী সমিতিৰ সৈতে আলোচনাৰ জৰিয়তে ন্যাসৰ পৰৱৰ্তী কাম-কাজ পৰিচালনা কৰাৰ দায়িত্বও শ্ৰীনাইডুক একেখন বৈঠকতে প্ৰদান কৰা হয়।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত মদন মোহন মালব্যৰ সংগৃহীত ৰচনাৱলীৰ অন্তিমটো খণ্ড মুকলি কৰিব। এই ৰচনাৱলীৰ প্ৰথমটো খণ্ড ২০২৩ চনৰ ২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিছিল। মালব্য মিছন আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা যুটীয়াভাৱে এই দ্বিভাষিক প্ৰকাশন প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে আধুনিক ভাৰতৰ অন্যতম নিৰ্মাতাগৰাকীৰ কামসমূহ সংৰক্ষণৰ লক্ষ্যৰে সমগ্ৰ দেশৰ বিভিন্ন ঠাইৰ পৰা মূল তথ্যপাতিসমূহ সংগ্ৰহ কৰি ইয়াৰ গৱেষণা কৰা হয়। অন্তিমটো খণ্ডত মদন মোহন মালব্যৰ জীৱন কাহিনীৰে প্ৰায় ৩ হাজাৰ ৫০০ পৃষ্ঠাজোৰা তথ্যসম্বলিত ৰচনাৱলী প্ৰস্তুত কৰা হৈছে। তদুপৰি এই খণ্ডটোত চেণ্ট্ৰেল লেজিছলেটিভ এছেম্বলীত শ্ৰীমালব্যই প্ৰদান কৰা দুশটা ভাষণ সংযোজন কৰাৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ১৩৫গৰাকী ঔদ্যোগিক নেতাৰ সৈতে হোৱা সাক্ষাৎকাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

আজি পবিত্ৰ বৰদিন। বৰদিন উপলক্ষে বিশ্বৰ বিভিন্ন প্ৰান্তৰ খ্ৰীষ্টধৰ্মী লোকসকলে মাজনিশাৰে পৰা সমূহীয়া প্ৰাৰ্থনাত অংশগ্ৰহণ কৰিছে। প্ৰভু যীশুৰ জন্মদিন উদযাপন কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰান্তৰ গীৰ্জাসমূহৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহো বিভিন্ন আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে  আটকধুনীয়াকৈ সজাই তোলা হৈছে।

যোৱা মে'ত চতুৰ্দশ পোপ লিঅ' নিৰ্বাচিত হোৱাৰ পাছত প্ৰথমবাৰৰ বৰদিন উদযাপন কাৰ্যসূচীৰ নেতৃত্ব দিব।

বৰদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

দিল্লীৰ এখন আদালতে লালকিল্লা বিস্ফোৰণৰ ঘটনাত জড়িত ৭ জন লোকৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৫ দিনলৈ বৃদ্ধি কৰি, আটাইকেইজনকে ৮ জানুৱাৰী পৰ্যন্ত কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। অতিৰিক্ত ছেছন ন্যায়াধীশ প্ৰশান্ত শৰ্মাই ড° আদিল ৰাথৰ, ড° মোজাম্মিল গানেই, ড° শ্বাহিন ছইদ, মৌলবী ইৰফান আহমেদ ৱাগে, জছিৰ বিলাল ৱানি, আমিৰ ৰশ্বিদ আলী, আৰু ছৈয়বক পাতিয়ালা হাউচ কোৰ্টত হাজিৰ কৰোৱাৰ পাছত  তেওঁলোকক কাৰাগাৰলৈ প্ৰেৰণ কৰে। ইয়াৰ পূৰ্বে এই ৩ গৰাকী চিকিৎসক আৰু ৱাগেক যোৱা ১২ ডিচেম্বৰত ১২ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল। আনহাতে, আলী আৰু ৱানিক যোৱা ১০ ডিচেম্বৰত ১৪ দিনৰ  আৰু ছৈয়বক ১৯ ডিচেম্বৰত ৫ দিনৰ  ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল।

০০০০০

লোকসভাত বিৰোধী নেতা ৰাহুল গান্ধীয়ে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ  সফলতাৰ শলাগ লোৱাৰ বাবে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৃতজ্ঞতা প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী বৈষ্ণৱে শ্ৰীগান্ধীৰ এটা

বাৰ্তা প্ৰকাশ কৰি কয় যে, চৰকাৰে প্ৰধামন্ত্ৰীৰ আদৰ্শক ৰূপায়িত কৰাৰ বাবে ভাৰত বৰ্তমান এখন উৎপাদনশীল ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে।

ইপিনে শ্ৰীগান্ধীয়ে এটা বাৰ্তাত কৈছে যে, ভাৰতত দ্ৰুত উৎপাদনশীলতা প্ৰদৰ্শন কৰা এটা কোম্পানীয়ে মাত্ৰ ৮-৯ মাহৰ ভিতৰতেই ৩০ হাজাৰৰো অধিক কৰ্মচাৰী নিয়োগ কৰিছে। তেওঁ কয় যে, এয়া মাত্ৰ এটা পৰিসংখ্যাই নহয়, বৰং ই নিয়োগ সৃষ্টিৰ পৰিবৰ্তিত ধাৰাকেই প্ৰতিফলিত কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰ পৰা পৰৱৰ্তী ২-৩ দিনলৈ জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট বাল্টিস্তান, মুজাফ্‌ফৰাবাদ, হিমাচল প্ৰদেশ, পঞ্জাব, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, উত্তৰ প্ৰদেশ, বিহাৰ আৰু উত্তৰাখণ্ডত অতি ঘন কুঁৱলীৰ সতৰ্কবাণী জাৰি কৰিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি মধ্যপ্ৰদেশৰ পূব অংশ, ওড়িশা, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহতো অহা ২৮ ডিচেম্বৰ পৰ্যন্ত ঘন কুঁৱলীৰ প্ৰভাৱ পৰিব। বিভাগে অহা শনিবাৰলৈ উত্তৰাখণ্ডত শীতৰ প্ৰকোপ আৰু বৃদ্ধি পাব পাৰে বুলি জানিবলৈ দিছে। একেদৰে কাইলৈ পৰ্যন্ত বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পূব অঞ্চলত শীতপ্ৰবাহ অব্যাহত থাকিব বুলি বিভাগে জানিবলৈ দিছে।

ooooo

অলিম্পিকত দেশৰ হৈ দুবাৰকৈ পদক অৰ্জন কৰা আৰু ভাৰতীয় পুৰুষ হকী দলৰ উপ-অধিনায়ক হাৰ্ডিক সিঙক চলিত বৰ্ষৰ সন্মানীয় মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটাৰ বাবে মনোনীত কৰা হৈছে। ভাৰতৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰতি বছৰে ক্ৰীড়া ক্ষেত্ৰত দেশৰ এই সৰ্বোচ্চ সন্মানটো প্ৰদান কৰি আহিছে। ভাৰতীয় অলিম্পিক সংস্থাৰ উপাধ্যক্ষ গগন নাৰং, প্ৰাক্তন হকী খেলুৱৈ এম এম ছোমায়া আৰু প্ৰাক্তন বেডমিণ্টন খেলুৱৈ অৰ্পণা পোপাটক সদস্য হিচাপে লৈ গঠিত এখন তিনিজনীয়া বাছনি সমিতিয়ে চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহৰ বিজয়ীসকলৰ নাম চূড়ান্ত কৰে।

সমিতিয়ে ২৪ গৰাকী ক্ৰীড়াবিদৰ নাম অৰ্জুন বঁটাৰ বাবে প্ৰস্তাৱ কৰিছে। ইয়াৰ ভিতৰত বেডমিণ্টন খেলুৱৈদ্বয় তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দ, ৰাইফল শ্যুটাৰ মেহুলী ঘোষ, জিমনাষ্ট প্ৰণতি নায়ক আৰু যোগাসনৰ ক্ৰীড়াবিদ আৰতী পালৰ নামো আছে। ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাৰ বাবে মনোনীত খেলুৱৈসকলে ৰাষ্ট্ৰপতিৰ পৰা পুৰস্কাৰসমূহ গ্ৰহণ কৰিব।

ooooo

ভাৰতৰ তাৰকা খেলুৱৈদ্বয় বিৰাট কোহলী আৰু ৰোহিত শৰ্মাই কালি চলিত বৰ্ষৰ বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো দিনতে শতক অৰ্জন কৰে। প্ৰতিযোগিতাত দিল্লীৰ হৈ খেলপথাৰত নমা বিৰাট কোহলীয়ে কালি বেংগালুৰুৰ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ উৎকৰ্ষতা কেন্দ্ৰত থকা প্ৰথমখন খেলপথাৰত বেংগালুৰুৰ বিৰুদ্ধে ২৯৯ ৰানৰ লক্ষ্য অনুসৰণ কৰি ১০১টা বলত ১৩১ ৰানৰ ইনিংছ খেলে। খেলখনত প্ৰিয়াংশ আৰ্য আৰু নীতিশ ৰানায়ো দিল্লীৰ হৈ অৰ্ধশতক অৰ্জন কৰে। দিল্লীয়ে খেলখনত ৪ উইকেটত বিজয় সাব্যস্ত কৰে।

একেদৰে জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত মুম্বাই আৰু ছিকিমৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত ৰোহিত শৰ্মাই মুম্বাইৰ হৈ ৯৪টা বলত ১৫৫ ৰান সংগ্ৰহ কৰে। ৰোহিতৰ এই ইনিংছৰ সুবাদত ২৩৭ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰা মুম্বাইয়ে ৮ উইকেটৰ ব্যৱধানত ছিকিমক পৰাস্ত কৰে।

ইপিনে বিহাৰে ভাৰতৰ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত দ্বিতীয় সৰ্বাধিক দলীয় স্কৰৰ ইতিহাস গঢ়িছে। প্ৰতিযোগিতাত কালি ৰাঁচিৰ জে এছ্‌ চি এ অভেল খেলপথাৰত অনুষ্ঠিত প্লেট গ্ৰুপৰ এখন খেলত বিহাৰে অৰুণাচল প্ৰদেশৰ বিৰুদ্ধে ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ৫৭৪ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮৪টা বলত ১৯০ ৰান কৰে। বিহাৰৰ অধিনায়ক ছকিবুল গনিয়ে মাত্ৰ ৪০টা বলত ১২৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। দলটোৰ আয়ুষ ল'হাৰুকায়ো ১১৬ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত অৰুণা প্ৰদেশে মাত্ৰ ১৭৭ ৰানতে আটাইকেইটা উইকেট হেৰুৱায় আৰু বিহাৰে ৩৯৭ ৰানৰ বিশাল ব্যৱধানত জয়লাভ কৰে।

প্ৰতিযোগিতাৰ আন এখন খেলত কালি কৰ্ণাটকে ঝাৰখণ্ডক ৫ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামৰ বি গ্ৰাউণ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি ঝাৰখণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ৪১২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অধিনায়ক ঈষাণ কিষাণে ৩৯টা বলত ১২৫ ৰানৰ বৰঙণি আগবঢ়ায়। ঝাৰখণ্ডৰ বিৰাট সিং আৰু কুষাগ্ৰায়ো অৰ্ধশতক অৰ্জন কৰে। প্ৰত্যুত্তৰত কৰ্ণাটকে দেৱদূত পাডিকাল্লৰ ১৪৭ ৰানৰ সহায়ত বিজয় লক্ষ্য সহজে অতিক্ৰম কৰে।

ooooo

উদীয়মান খেলুৱৈ উন্নতি হুদ্দা, তনভী শৰ্মা, ৰৌনাক চৌহান আৰু সংস্কাৰ স্বাৰস্বত অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাৰাত চলি থকা ৮৭ সংখ্যক ছিনিয়ৰ নেচনেল বেডমিণ্টন চেম্পিয়নশ্বিপৰ পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

প্ৰতিযোগিতাৰ শীৰ্ষ বাছনিপ্ৰাপ্ত উন্নতিয়ে ৱাইল্ড কাৰ্ডপ্ৰাপ্ত আকাংক্ষা মাটেক ২১-৮, ২১-১৮ গেমত পৰাস্ত কৰাৰ বিপৰীতে ৱৰ্ল্ড জুনিয়ৰ চেম্পিয়নশ্বিপছত ৰূপৰ পদক বিজেতা তনভীয়ে ১৫ বছৰ অনূৰ্ধৰ এছিয়ান চেম্পিয়নশ্বিপছৰ মহিলা শাখাৰ ছিংগলছৰ সোণৰ পদক বিজেতা চাইনা মানিমুথুক প্ৰথম ৰাউণ্ডত ২১-১০, ২১-১৪ গেমত পৰাস্ত কৰে।

ইপিনে গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰা সংস্কাৰে পুৰুষৰ ছিংগলছত শিখৰ ৰাল্লানৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডত ২১-১১, ২১-১৩ গেমত বিজয় অৰ্জন কৰে।

ooooo

সমাপ্ত